# **REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। জৈৱ প্ৰযুক্তি খণ্ডৰ আন্তঃগাঁথনি উন্নীতকৰণেৰে জৈৱ উৎপাদন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ সৈতে ৰাজ্য চৰকাৰৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

২। ৰঙালী বিহুৰ পূৰ্বে প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব বুলি শিক্ষামন্ত্ৰীৰ প্ৰকাশ।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসম আগমন।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন। *আৰু*

৫। বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থা, নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

অসমত জৈৱ প্ৰযুক্তি খণ্ডৰ আন্তঃগাঁথনি উন্নীতকৰণেৰে জৈৱ উৎপাদন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। নতুন দিল্লীত কালি কেন্দ্ৰীয় চৰকাৰৰ জৈৱ প্ৰযুক্তি বিভাগৰ মুখ্য কাৰ্যালয়ত ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটা আৰু কেন্দ্ৰীয় জৈৱ প্ৰযুক্তি সচিব ৰাজেশ এছ্ গোখলেৰ উপস্থিতিত এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। ইয়াৰ লগে লগে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থনীতি, পৰিৱেশ আৰু নিয়োগৰ বাবে জৈৱ প্ৰযুক্তি নীতিৰ অধীনত অসম, এনে বুজাবুজিৰ চুক্তি সম্পাদনকাৰী দেশৰ প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হয়। কেন্দ্ৰ আৰু ৰাজ্যৰ এই দ্বিপাক্ষিক সহযোগিতাই অসমৰ চহকী জৈৱ বৈচিত্ৰ আৰু কৃষি খণ্ডৰ শক্তিক ব্যৱহাৰ কৰি ৰাজ্যখনত এটা শক্তিশালী জৈৱ উৎপাদন, পৰিৰেশ তন্ত্ৰ গঢ়ি তুলিব বুলি আশা কৰা হৈছে।

oooooo

ৰাজ্য চৰকাৰে ৰঙালী বিহুৰ পূৰ্বে প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ নিযুক্তি পত্ৰ বিতৰণ কৰিব। শিক্ষা সচিব নাৰায়ণ কোঁৱৰ আৰু প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিৰ উপস্থিতিত প্ৰাথমিক শিক্ষক সন্মিলনীৰ বিষয়ববীয়াসকলৰ সৈতে জনতা ভৱনত কালি এখন বৈঠকত মিলিত হৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কথা প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে অহা বছৰৰ পৰা বৃত্তি পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ উপৰি পঞ্চম শ্ৰেণীলৈ সকলো শিক্ষাৰ্থীকে অভ্যাসন বহী যোগানৰ নিশ্চয়তা প্ৰদান কৰে। বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰে নিযুক্তি লাভ কৰা শিক্ষকৰ দৰমহা যাতে কোনো যটি নপৰে, তাৰবাবেও ব্যৱস্থা লোৱা হ'ব বুলি ডাঃ পেগুৱে উল্লেখ কৰে। তেওঁ লগতে ঠিকাভিত্তিক কৰ্মৰত শিক্ষকৰ সংশোধিত সাময়িক পদোন্নতিত অনুমোদন দিয়াৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয়, যে অহা তিনি-চাৰি দিনৰ ভিতৰত শিক্ষক বদলিৰ প'ৰ্টেল

মুকলি কৰা হ'ব। প্ৰাথমিক শিক্ষকৰ বাবে সহ-পৰিদৰ্শক পদৰ সংৰক্ষণ ব্যৱস্থা পুনৰ প্ৰৱৰ্তন সন্দৰ্ভত প্ৰাথমিক শিক্ষক সন্মিলনীয়ে উত্থাপন কৰা দাবী বিবেচনা কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে।

০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমত উপস্থিত হ'ব। অসম ভ্ৰমণকালত শ্ৰীশ্বাহে নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ বাৰ্ষিক সন্মিলনসহ কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰী শ্বাহে পৰহিলৈ ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। তাত মন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখাওছঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছে বাহিনীটোৰ ঘাটি আইজলৰ পৰা জোখাওছঙলৈ স্থানান্তৰিত কৰাৰ বাবে চুক্তি সম্পাদন কৰিছিল।

ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ'ব আৰু সন্ধিয়া গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে নতুন ফৌজদাৰী আইন তিনিখন সন্দৰ্ভত বৈঠকত মিলিত হ'ব। শ্ৰী শ্বাহে ১৬ মাৰ্চত কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব। কোকৰাঝাৰৰ কাৰ্যসূচী সামৰি ১৬ মাৰ্চৰ বিয়লি তেওঁ নতুন দিল্লীলৈ বুলি উভতি যাব।

০০০০০০

কাৰিকৰী শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে ৰাজ্য চৰকাৰে ২০১৭ চনত নিযুক্তি দিয়া ৪৫১ গৰাকী ঠিকাভিত্তিক শিক্ষকৰ মাজত ১৪৭ গৰাকী প্ৰৱক্তাৰ নিযুক্তি বাতিলক কেন্দ্ৰ কৰি কালি বিধানসভাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। এই প্ৰবক্তাসকলক সম্পূৰ্ণ যোগ্যতাৰ ভিত্তিত বিভিন্ন কাৰিকৰী প্ৰতিষ্ঠানত অংশকালীন হিচাপে নিযুক্তি দিয়া হৈছিল যদিও তেওঁলোকক পৰ্যায়ক্ৰমে বৰ্খাস্ত কৰি ৰাজ্য চৰকাৰে নতুন নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বিষয়টোৰ বিৰোধী দলে তীব্ৰ প্ৰতিবাদ কৰে।

কালি সদনৰ দিনটোৰ কাম-কাজৰ অন্ত পৰাৰ কিছুসময়ৰ পূৰ্বে সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আভিযান্ত্ৰিক শিক্ষা প্ৰতিষ্ঠানৰ ১৪৭ গৰাকী ঠিকাভিত্তিক প্ৰবক্তাৰ নিযুক্তি বাতিল সন্দৰ্ভত অহা ২১ মাৰ্চত ৰাজ্য চৰকাৰে সদনত এটা বিবৃতি দিব বুলি ঘোষণা কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সদনৰ বাহিৰত সাংবাদিকৰ আগত কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানত পৰৱৰ্তী সময়ত অংশকালীন শিক্ষক নাথাকিব বুলি চৰকাৰৰ স্থিতি স্পষ্ট কৰি দিয়ে।

ইপিনে, এই বিষয়টো লৈ ৰাজ্যৰ বিভিন্ন স্থানত কাৰিকৰী শিক্ষাৰ শিক্ষাৰ্থীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাই বিষয়টো মানৱীয় দৃষ্টিভংগীৰে সমাধান কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। গোলাঘাট কাৰিকৰী শিক্ষা ছাত্ৰ একতা সভাৰ উদ্যোগত ৫০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। পৰস্পৰক আবিৰৰ ৰং সানি ফাকুৱা উদযাপন কৰিবলৈও সকলো সাজু হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। বৰপেটা সত্ৰত আজি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী

গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। ওড়িশাৰ পৰা হোলী গীতৰ দল, মণিপুৰী সাংস্কৃতিক দল, আদিবাসী সাংস্কৃতিক দলৰ লগতে বিভিন্ন শিল্পীৰ গীত পৰিৱেশনেৰে সত্ৰ নগৰীখন প্ৰাণ চঞ্চল হৈ উঠিছে। .....**(গীত)**

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। আজি সন্ধিয়া মেষদাহ পৰ্বৰে এই উৎসৱৰ আৰম্ভণি হ'ব। ১৭ মাৰ্চত উৎসৱৰ সামৰণি পৰিব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত আজিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰত চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উৎসৱৰ অংশ হিচাপে নাম কীৰ্তন, ফাকুৱাৰ গীত-মাত আৰু ভাওনা পৰিৱেশন কৰা হ'ব। মাজুলীৰ দৌল উৎসৱ উদযাপন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা বিকাশজ্যোতি শইকীয়া––

**ভইচ (বিকাশজ্যোতি শইকীয়া)**

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰত আজিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হ'ব। আজি গন্ধযাত্ৰাৰ লগতে সত্ৰৰ চৌহদত সাজি উলিওৱা ভেলাঘৰত অগ্নিসংযোগ কৰি ৰাইজৰ মংগল কামনা কৰা হ'ব। কাইলৈ গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰিহলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে গোৱালপাৰাতো বিস্তৃত কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপনৰ প্ৰস্তুতি চলাই থকা হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হ'ব।

তামুলপুৰ জিলাৰ পুনীয়া শ্যামৰায় সত্ৰৰ লগতে জিলাখনৰ কেইবাখনো সত্ৰ আৰু অন্যান্য স্থানত আজিৰে পৰা আয়োজিত দৌল উৎসৱৰ বাবে সত্ৰসমূহ সজাই-পৰাই তোলা হৈছে। শ্যামৰায় সত্ৰ উদযাপন সমিতিয়ে আজিৰে পৰা তিনিদিনীয়াকৈ এই উৎসৱ পালন কৰিব।

oooooo

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে অহা ১৫ মাৰ্চ শনিবাৰে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শিল্পগ্ৰাম প্ৰাংগণত সন্ধিয়া ৬ বজাত **গান্ধাৰীৰ অভিশাপ** নামৰ এখনী ভাওনা পৰিৱেশন কৰিব। গণেশ গগৈৰ **শকুনিৰ প্ৰতিশোধ**ৰ আধাৰত মাতৃভাষাত ৰচিত এই ভাওনাখনৰ পৰিকল্পনা ঋতুপৰ্ণ দাসৰ আৰু পৰিচালনা ড০ দীপেন দাসৰ। গুৱাহাটীৰ বিভিন্ন বৈদ্যুতিন চেনেলৰ সাংবাদিকে অভিনয় কৰা এই ভাওনাখনিত ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছে মৃগাংক শইকীয়া, কৰ্ণ চৰিত্ৰত শোণিত কুমাৰ ভূঞা, শকুনি চৰিত্ৰত অভিজিৎ গোস্বামী আৰু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছে বিমল ভূষণ মহন্তই। গান্ধাৰীৰ চৰিত্ৰত অভিনয় কৰিছে এঞ্জেলা চাংমাই। এই ভাওনাৰ আখৰা প্ৰতিনিশাই গুৱাহাটীৰ লাষ্টগে'টত চলি আছে। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে হোৱা কথা বতৰাত গান্ধাৰী-এঞ্জেলা চাংমাইয়ে এই অভিমত ব্যক্ত কৰে।

**ভইচ (এঞ্জেলা চাংমাই)**

oooooo

ৰঙালীৰ বিহুৰ পূৰ্বে ৰাজ্যত প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ নিযুক্তি, পলিটেকনিকৰ অংশকালীন প্ৰবক্তাক অব্যাহতিক লৈ সদনত হুলস্থূলীয়া পৰিৱেশ, পাকিস্তানত যাত্ৰীবাহী ৰে'ল অপহৰণ তথা অৰ্ধশতাধিকক

হত্যাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

প্ৰধান শিক্ষক নিযুক্তিৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে **প্ৰাথমিক শিক্ষক সন্মিলনিৰে বৈঠকত শিক্ষামন্ত্ৰীৰ ঘোষণা, ৰঙালী বিহুৰ পূৰ্বে প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ নিযুক্তি** আৰু দৈনিক জনমভূমি কাকতে **ৰঙালী বিহুৰ পূৰ্বে প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকক নিযুক্তি পত্ৰ বিতৰণ-অহা বছৰৰ পৰা বৃত্তি পৰীক্ষা, যোগান ধৰিব পঞ্চম শ্ৰেণীলৈকে অভ্যাসন বহী** শিৰোনামেৰে প্ৰকাশ কৰিছে। আন আন কাকতসমূহেও বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ পলিটেকনিকসমূহৰ ৬৪ গৰাকী প্ৰতিষ্ঠাপক, অংশকালীন প্ৰবক্তাক চাকৰিৰ পৰা অব্যাহতি দিয়াক লৈ ভুক্তভোগী সকলৰ প্ৰতিবাদ তথা বিষয়টোক লৈ অসম বিধানসভাত বিৰোধীৰ বিক্ষোভ প্ৰকাশ সম্পৰ্কীয় বাতৰিটো অসমীয়া প্ৰতিদিন, দৈনিক অসম, দি আছাম ট্ৰিবিউন, দা ছেণ্টিনেলকে ধৰি কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পাকিস্তানত বেলুচিস্তান লিবাৰেচন আৰ্মীৰ দ্বাৰা যাত্ৰীবাহী ৰে'ল অপহৰণ আৰু ইয়াৰ পাছৰ পৰ্যায়ৰ ঘটনা প্ৰৱাহৰ বাতৰি এটা দৈনিক অগ্ৰদূত কাকতে **পাকিস্তানত ৰে'ল অপহৰণ, ওৰে নিশা পাক সেনাৰ অভিযান, পণবন্দীক উদ্ধাৰ, অৰ্ধশতাধিক নিহত**, অসমীয়া খবৰ কাকতে সেনাৰ **উদ্ধাৰ অভিযানৰ মাজতে অপহৰণকাৰী বেলুচ লিবাৰেচন আৰ্মীৰ নৰমেধ যজ্ঞ, ৫০ পণবন্দী ৰে'লযাত্ৰীক নৃশংস হত্যা,** আমাৰ অসম কাকতে **পাকিস্তানৰ ৰে'ল হাইজেক-১৯০ পণবন্দীক উদ্ধাৰ, ৩০ জন যাত্ৰীক হত্যা-মানৱ বোমাৰে উদ্ধাৰকাৰীক বাধা দিছে বেলুচ উগ্ৰপন্থীয়ে** আৰু দা টাইমছ অৱ ইণ্ডিয়াই **Train Rescue Operation Over, 21 Hostages Killed** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিসমূহৰ মাজত আছে- অসমে লোৱা ঋণক লৈ অপপ্ৰচাৰ চলা বুলি বিত্তমন্ত্ৰী অজন্তা নেওগৰ মন্তব্য, ৰাজ্যৰ বহু নিচামুক্তি কেন্দ্ৰত ধৰ্মান্তৰকৰণৰ ছিণ্ডিকেট চলি থকা বুলি অসম বিধানসভাত মন্ত্ৰী পীযূষ হাজৰিকাৰ অভিযোগ, ইউ এছ্ টি এমৰ আচাৰ্যই মহবুবুল হকক পুনৰ কাৰাগাৰতে গ্ৰেপ্তাৰ ইত্যাদি।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাত নিৰ্মাণৰত শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ কাম অহা বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই নিৰ্দেশ দিছে। ৰাজ্যপালগৰাকীয়ে কালি উত্তৰ-পূবৰ প্ৰথমখন ৰাজ্যিক ক্ৰীড়া বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি লেহেমীয়া গতিৰে চলি থকা কামক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালত এই বিশ্ববিদ্যালয়খন নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত ২০২৩ চনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিছিল। ৫৬ কোটি ৬২ লাখ টকাৰো অধিক ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকাৰ্যৰে জড়িত বিভাগীয় অভিযন্তা আৰু ঠিকাদাৰ প্ৰতিষ্ঠানৰ পৰা ৰাজ্যপালগৰাকীয়ে অগ্ৰগতিৰ বুজ লয়।

০০০০০০

দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানত জীৱ-জন্তুৰ সংখ্যা বৃদ্ধি পোৱা বুলি ৱেলফেয়াৰ ইনষ্টিটিউট অৱ ইণ্ডিয়াৰ সহযোগত বন বিভাগে কৰা জৰীপত প্ৰকাশ পাইছে। এই জৰীপ অনুসৰি ৰাষ্ট্ৰীয় উদ্যানখনত হাতীৰ সংখ্যা

পূৰ্বৰ ১৯৬ৰ পৰা ৩৪৮লৈ বৃদ্ধি হৈছে। একেদৰে উদ্যানখনত ৮টাকৈ দুষ্প্ৰাপ্য বন মেকুৰীৰ অৱস্থিতিৰ কথা গম পোৱা গৈছে। ৰাষ্ট্ৰীয় উদ্যানখনত পহু আৰু ধনেশ পক্ষীৰ সংখ্যাও বৃদ্ধি পাইছে। বন বিভাগে ২০০ৰো অধিক কেমেৰা সংস্থাপন কৰি এই জৰীপ চলাইছে। ডিগবৈ বন সংমণ্ডল প্ৰাধিকাৰীয়ে উদ্যানখনলৈ পৰ্যটকৰ আগমনো বৃদ্ধি পোৱা বুলি প্ৰকাশ কৰিছে।

০০০০০০

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্বিলং লাজং ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থাই সোমবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত গ্ল'বেল ফুটবল ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত আজি বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৯ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থাকিব বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। মেঘালয়, মণিপুৰ, নাগালেণ্ড, ত্ৰিপুৰা আৰু মিজোৰামৰ কোনো কোনো অংশত পাতলীয়া বৰষুণ হোৱাৰ লগতে তাপমাত্ৰা ৩ৰ পৰা ৪ ডিগ্ৰীলৈ হ্ৰাস হ'ব বুলি কেন্দ্ৰটোৱে লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত